**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-03-2025 **Time :** 0705 Hrs.

***Assamese Morn. Bulletin***
***HEADLINES***

১। কৃত্ৰিম বুদ্ধিমত্তাই বিশ্বলৈ বৃহৎ পৰিৱৰ্তন আনিছে আৰু সাংবাদিকতাকে ধৰি বিভিন্ন ক্ষেত্ৰত নতুন সুযোগ তথা প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

২। লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে জলশক্তি মন্ত্ৰালয়ৰ অধীনৰ দাবী মঞ্জুৰী প্ৰস্তাৱ সম্পৰ্কে আলোচনা আৰম্ভ হৈছে।

৩। চৰকাৰ অনলাইন গেমিঙৰ পৰা হ'ব পৰা বিপদ আৰু আসক্তিৰ দৰে সম্ভাব্য ক্ষতিৰ বিষয়ে ভালদৰে অৱগত বুলি ইলেক্ট্ৰনিক্‌ছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৪। ইজৰাইলে গাজাৰ মধ্য আৰু দক্ষিণ অংশত স্থলপথেৰে সামৰিক অভিযান আৰম্ভ কৰিছে।

আৰু

৫। ত্ৰিষা জলি আৰু গায়ত্ৰী গোপীচান্দৰ যুটিটো আজি ছুইচ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবল্‌ছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

0000000

কৃত্ৰিম বুদ্ধিমত্তাই বিশ্বলৈ বৃহৎ পৰিৱৰ্তন আনিছে আৰু সাংবাদিকতাকে ধৰি বিভিন্ন ক্ষেত্ৰত নতুন সুযোগ তথা প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কালি নতুন দিল্লীত ঊনবিংশ ৰামনাথ গোৱেংকা সাংবাদিকতা উৎকৃষ্টতা বঁটা প্ৰদান কৰি এইদৰে প্ৰকাশ কৰে। তেওঁ ডীপ ফেক আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ অন্য অপব্যৱহাৰৰ বিপদৰ প্ৰতি সকলো জনসাধাৰণক সজাগ কৰি তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। ৰামনাথ গোৱেংকা বঁটাই ভাৰতীয় সাংবাদিকতাত উৎকৰ্ষতাৰ উত্তৰণ আৰু গণতন্ত্ৰৰ সৈতে জড়িত শিপা সুদৃঢ় কৰাত অৱদান আগবঢ়াই আহিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৱে কয়, যে সাংবাদিকতাৰ আত্মাস্বৰূপ সংবাদ সংগ্ৰহৰ ব্যৱস্থাটো শক্তিশালী কৰি তোলা উচিত। তেওঁ লগতে তৃণমূল পৰ্যায়ৰ পৰা বাতৰি পৰিৱেশনৰ সংস্কৃতিক উদ্গনি যোগোৱাৰ বাবে অধিক সম্পদ ব্যৱহাৰত আৱশ্যকতাৰ বিষয়ে গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে গণতন্ত্ৰত মুক্ত আৰু নিকা সাংবাদিকতাৰ গুৰুত্বৰ কথা নুই কৰিব নোৱাৰি। জনসাধাৰণ বিভিন্ন বিষয়ে ভালদৰে অৱগত নহ'লে গণতান্ত্ৰিক প্ৰক্ৰিয়াত অৰ্থহি হেৰাই যায় বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ কয়, যে সংবাদ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয়, কিয়নো এখন আধুনিক ৰাষ্ট্ৰত ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

000000000

লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে জলশক্তি মন্ত্ৰালয়ৰ অধীনৰ দাবী মঞ্জুৰী প্ৰস্তাৱ সম্পৰ্কে আলোচনা আৰম্ভ হৈছে। এই আলোচনাৰ পাতনি মেলি বিজেপিৰ জগদম্বিকা পালে কালি কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে জলশক্তি মন্ত্ৰালয়ৰ ৯৯ হাজাৰ ৫০০ কোটিৰো অধিক টকা আবণ্টন দিছে। আবণ্টিত ধনৰ এই পৰিমাণ যোৱা বছৰৰ ৫১ হাজাৰ ৫৫৮ কোটি টকাৰ তুলনাত ৯৩ শতাংশ অধিক বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰ গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়াললৈ নলযোগে বিশুদ্ধ খোৱাপানী যোগানৰ উদ্দেশ্যে জলজীৱন মিছন ৰূপায়ণ কৰি আছে। তেওঁ কয়, যে এইবছৰ বাজেটত চৰকাৰে জল জীৱন মিছনৰ বাবে ৬৭ হাজাৰ কোটি টকা ধাৰ্য কৰিছে। বাজেটত প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনাৰ বাবে ৮ হাজাৰ ২৬০ কোটি, নমামি গংগে প্ৰকল্পৰ বাবে দুহেজাৰ ৪০০ কোটি আৰু অটল ভূ-জল যোজনাৰ বাবে এহেজাৰ ৭০০ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে বুলিও

সাংসদগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে যোৱা ২১ জানুৱাৰী পৰ্যন্ত গ্ৰামাঞ্চলত প্ৰায় ১৫ কোটি পৰিয়াললৈ নলযোগে বিশুদ্ধ খোৱাপানী যোগান ধৰা হৈছে।

আলোচনাত অংশগ্ৰহণ কৰি ডি এম কেৰ টি আৰ বালুৱে কয়, যে জলজীৱন মিছনৰ অধীনত বৰ্তমানলৈকে মাত্ৰ ৮০ শতাংশ কামহে সম্পূৰ্ণ হৈছে। তেওঁ কয়, যে এই অভিযানৰ বাকী কামখিনি সময়মতে সম্পূৰ্ণ কৰা উচিত। হিমালয়ৰ পৰা ওলোৱা নদী আৰু উপদ্বীপ অঞ্চলৰ পৰা ওলোৱা নদীসমূহৰ আন্তঃসংযোগকৰণৰ বাবে কোনো আঁচনি প্ৰৱৰ্তন কৰা নাই বুলি সাংসদগৰাকীয়ে অভিযোগ উত্থাপন কৰে।

কংগ্ৰেছৰ ৰাহুল কাছ্ৱানে কয়, যে জলজীৱন মিছনৰ অধীনত নলযোগে পানী যোগান ধৰা সত্ত্বেও দেশৰ লাখ লাখ গাঁৱত এতিয়াও পানীৰ নাটনিৰ সমস্যা বিদ্যমান। তেওঁ কয় যে দেশত বছৰি ৪ লাখ ঘন মিটাৰ বৰষুণ হয় যদিও মজুতকৰণৰ সুবিধাৰ অভাৱত ইয়াৰে ২০ হাজাৰ কোটি ঘনমিটাৰ পানী সাগৰলৈ বৈ যায়। চৰকাৰে এই বিষয়টোৰ প্ৰতি মনোযোগ দিয়া উচিত বুলি সাংসদগৰাকীয়ে উল্লেখ কৰে।

সমাজবাদী পাৰ্টীৰ বীৰেন্দ্ৰ সিঙে আলোচনাত অংশ লৈ উত্তৰ প্ৰদেশৰ সোণভদ্ৰা, চান্দৌলি আৰু মিৰ্জাপুৰ জিলাত জলসিঞ্চনৰ সুবিধাৰ্থে বানসাগৰৰ কাম সম্পূৰ্ণ কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়।

জে ডি ইউৰ লাভলি আনন্দে আলোচনাত ভাগ লৈ কয়, যে ২০১৪ চনৰে পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত জল সংৰক্ষণ আৰু পানী যোগানৰ ক্ষেত্ৰত অভূতপূৰ্ব কাম হৈছে। জলজীৱন মিছনৰ অধীনত গ্ৰামাঞ্চলৰ লাখ লাখ পৰিয়াললৈ নলযোগে পানী যোগান ধৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে।

তৃণমূল কংগ্ৰেছৰ বাপী হলদাৰ, টিডিপিৰ বস্তিপতি নাগৰাজু,  শিৱসেনাৰ উদ্ধৱ ঠাক্‌ৰে গোটৰ পৰাগ প্ৰকাশ ৱাজে, জে ডি এছৰ এম মল্লেশ বাবু আৰু এন চি পিৰ শাৰদ পাৱাৰ গোটৰ নীলেশ জ্ঞানদেৱ লংকে সহ আন কেইবাগৰাকীও সাংসদে এই আলোচনাত ভাগ লয়। আলোচনা কালি অমীমাংসিত হৈ ৰয়। পাছত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

০০০০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনৰ অমৃত উদ্যানত আয়োজিত উদ্যম উৎসৱত অংশগ্ৰহণ কৰিব। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। চলিত মাহৰ ৩০ তাৰিখে সামৰণি পৰিবলগীয়া এই উৎসৱৰ জৰিয়তে দেশৰ ঐতিহ্যক নাগৰিকৰ ওচৰলৈ লৈ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ প্ৰসাৰ আৰু সৰলীকৰণৰ চেষ্টা কৰা হৈছে। অনুষ্ঠানত হস্তশিল্পৰ পৰা আৰম্ভ কৰি বিভিন্ন কৃষিভিত্তিক সামগ্ৰী প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ উপৰি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ প্ৰযুক্তি, মহিলা উদ্যোগী, পি এম বিশ্বকৰ্মা আৰু জনজাতীয় উদ্যোগী, খাদী আৰু গ্ৰাম্য উদ্যোগৰ সামগ্ৰী এই অনুষ্ঠানত প্ৰদৰ্শন কৰা হ'ব। সামগ্ৰীৰ প্ৰদৰ্শনৰ উপৰি থলুৱা গীত-মাত, নাটক, ৰাজস্থানী পুতলা প্ৰস্তুতকৰণ আদি কাৰ্যসূচী এই অনুষ্ঠানত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০০০

চৰকাৰ অনলাইন গেমিঙৰ পৰা হ'ব পৰা বিপদ আৰু আসক্তিৰ দৰে সম্ভাব্য ক্ষতিৰ বিষয়ে ভালদৰে অৱগত বুলি ইলেক্‌ট্ৰনিক্‌ছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। লোকসভাত কালি এটা লিখিত উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে ব্যৱহাৰকাৰীসকলৰ বাবে মুক্ত, নিৰাপদ, বিশ্বাসযোগ্য আৰু দায়বদ্ধ ইণ্টাৰনেট সুনিশ্চিত কৰাই কেন্দ্ৰীয় চৰকাৰৰ নীতিসমূহৰ মূল উদ্দেশ্য। কেন্দ্ৰীয় চৰকাৰে অনলাইন গেমিং সম্পৰ্কীয় বিভিন্ন আৰ্থ-সামাজিক উদ্বেগ দূৰ কৰাৰ উদ্দেশ্যে তথ্য প্ৰযুক্তি মধ্যস্থতা নীতি-নিৰ্দেশনা আৰু ডিজিটেল সংবাদ মাধ্যম নৈতিকতা বিধিৰ সংশোধনৰ বাবে অধিসূচনা জাৰি কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০০০

ইজৰাইলে ২০২৩ চনৰ অক্টোবৰত যুদ্ধ আৰম্ভ হোৱাৰ পাছৰেপৰা চলোৱা সবাতোকৈ ভয়াৱহ বিমান আক্ৰমণত কমেও ৪০০ গৰাকী পেলেস্তানী নাগৰিকে প্ৰাণ হেৰুওৱাৰ এদিন পাছত গাজাৰ মধ্য আৰু দক্ষিণ অংশত স্থলপথেৰে সামৰিক অভিযান আৰম্ভ

কৰিছে। সুৰক্ষা পৰিধিৰ সম্প্ৰসাৰণ তথা উত্তৰ আৰু দক্ষিণ প্ৰান্তৰ মাজত আংশিকভাৱে সংঘৰ্ষৰোধক অঞ্চল গঢ়ি তোলাৰ উদ্দেশ্যে গাজা অঞ্চলৰ নিৰ্ধাৰিত এলেকাত স্থলপথেৰে অভিযান আৰম্ভ কৰা বুলি ইজৰাইলৰ সামৰিক বাহিনীয়ে ঘোষণা কৰিছে। হামাছৰ সৈতে যোৱা জানুৱাৰীত সম্পাদিত যুদ্ধ বিৰতি চুক্তি ব্যৰ্থ হোৱাৰ পাছত অঞ্চলটোত উত্তেজনা যথেষ্ট বৃদ্ধি পাইছে। গাজাত শেহতীয়া আক্ৰমণত কমেও ৩৮ গৰাকী পেলেস্তানী নাগৰিকে প্ৰাণ হেৰুওৱা বুলি জানিব পৰা গৈছে।

০০০০০০০০০

দেশৰ মুঠ শক্তি উৎপাদন সামৰ্থ্যৰ ক্ষেত্ৰত সেউজ শক্তিৰ অৱদান ৪২ শতাংশৰ অধিক বুলি পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি ৩২ সংখ্যক কনভাৰ্জেঞ্চ ইণ্ডিয়া প্ৰদৰ্শনী আৰু দশম স্মাৰ্ট চিটীজ ইণ্ডিয়া প্ৰদৰ্শনীত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এই কথা সদৰি কৰে। শ্ৰী গাডকাৰীয়ে কয়, যে চৰকাৰে বিকল্প ইন্ধন আৰু জৈৱ ইন্ধনত বিশেষ গুৰুত্ব আৰোপ কৰিছে। ভৱিষ্যতে যাত্ৰাৰ সময় হ্ৰাস কৰিবলগীয়া বিভিন্ন প্ৰকল্পৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে দিল্লী আৰু ডেৰাডুন, দিল্লী আৰু জয়পুৰ তথা দিল্লী আৰু বাংগালুৰুৰ মাজৰ যাত্ৰাৰ সময় অদূৰ ভৱিষ্যতে দুঘণ্টালৈ হ্ৰাস পাব। দিল্লী আৰু মুম্বাইৰ মাজৰ যাত্ৰাৰ সময় ১২ ঘণ্টালৈ হ্ৰাস পাব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০০

চৰকাৰে বিভিন্ন আঁচনি আৰু উদ্যমৰ জৰিয়তে সংখ্যালঘু সম্প্ৰদায়কে ধৰি সকলো সম্প্ৰদায়ৰ আৰ্থ-সামাজিক স্থিতি উন্নয়নৰ হকে কাম কৰি আছে বুলি সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে মন্তব্য কৰিছে। লোকসভাত কালি এটা লিখিত উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে সংখ্যালঘু সম্প্ৰদায়সমূহৰ আৰ্থ-সামাজিক আৰু শৈক্ষিক সৱলীকৰণৰ উদ্দেশ্যে তেওঁৰ মন্ত্ৰালয়ে বিশেষকৈ বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে। মন্ত্ৰালয়ে ৰূপায়ণ কৰা আঁচনিসমূহৰ ভিতৰত শৈক্ষিক সৱলীকৰণ আঁচনি, পি এম বিকাশ আৰু প্ৰধানমন্ত্ৰী জনবিকাশ কাৰ্যক্ৰম অন্যতম বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

ভাৰতৰ ত্ৰিষা জলি আৰু গায়ত্ৰী গোপীচান্দৰ যুটিটো আজি ছুইজাৰলেণ্ডৰ বাছেলত অনুষ্ঠিত ছুইচ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবল্‌ছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত জাৰ্মানীৰ ছেলিন হব্‌চছ্ আৰু এমিলি লেহমেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় যুটিটো কালি প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ এখন খেলত ছুইজাৰলেণ্ডৰ এলাইন মুলৰ আৰু নেডাৰলেণ্ডৰ কেলি ৰেন বিউটেনৰ যুটিটোক ২১-১৬, ২১-১৭ গেমত পৰাস্ত কৰে। পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত ভাৰতৰ কিদাম্বি শ্ৰীকান্তে কালি সতীৰ্থ খেলুৱৈ এইচ এছ প্ৰণয়ক ২৩-২১, ২৩-২১ গেমত পৰাভূত কৰে। ইপিনে, মহিলাৰ ছিংগল্‌ছত মালৱিকা বন্সোড়ে কানাডাৰ মিছেল লিক ২২-২০, ১৪-২১, ১৯-২১ গেমত পৰাস্ত কৰে। অৱশ্যে অলিম্পিকত দুবাৰকৈ পদক বিজয়ী পি ভি সিন্ধু ডেনমাৰ্কৰ জুলি ডাৱাল জেকবছেনৰ হাতত ১৭-২১, ১৯-২১ গেমত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

০০০০০০০০০

## সমাপ্ত